জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৩২৯/২০২১**

# ৰাজ্য চৰকাৰৰ প্ৰাক্তন মুখ্য সচিব পি পি বাৰ্মাৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৯ অক্টোবৰ ঃ** ৰাজ্য চৰকাৰৰ প্ৰাক্তন মুখ্য সচিব পি পি বাৰ্মাৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে জীৱনকালত একান্ত নিষ্ঠাৰে পি পি বাৰ্মাই ৰাজ্যখনৰ প্ৰশাসনিক দিশলৈ যি অৱিহণা আগবঢ়াই গ'ল সেয়া ৰাজ্যবাসীয়ে শ্ৰদ্ধাৰে স্মৰণ কৰিব। এগৰাকী সুদক্ষ প্ৰশাসক হিচাপে তেখেতে চাকৰি কালত ৰাজ্যখনৰ বিভিন্ন বিভাগ সুচাৰুৰূপে পৰিচালনাৰ দিশত যথেষ্ট অৱদান আগবঢ়াই গৈছে। তদুপৰি, বিটিআৰ চুক্তি ৰূপায়ণৰ দিশতো তেখেতে যথেষ্ট অৱিহণা আগবঢ়াই গৈছে। এইগৰাকী অৱসৰপ্ৰাপ্ত বিশিষ্ট প্ৰশাসনিক বিষয়াৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত পি পি বাৰ্মাৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**বঃভাঃ**
**২৯-১০-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in